কৰে। অসমতো আহোম যুগত সিয়ে ঘটিল। শাসক দলে পাহাৰিলে নিজৰ সংস্কৃতিক অহমিকা আৰু শাসিতে পহৰিলে যে এটা বহিৰাগত শক্তিয়ে লাহে লাহে আটাইৰে সংস্কৃতিৰ সান-মিহলি কৰি এটা পকা মিঠৈ পাতিছে। আহোমসকলে অসমৰ বিভিন্ন ঠাইত সিঁচৰিত হৈ থকা বিভিন্ন জাতি, জনজাতি, উপজাতি মিলি এটা জাতিত পৰিণত হৈছিল আৰু এই জাতি জনজাতি-উপজাতি সমূহৰ নিজা নিজা সাংস্কৃতিক উপাদানৰ সান-মিহলিহে যৌগিক অসমীয়া সংস্কৃতিৰ জন্ম দিছিল।

## — সাহিত্য —

শ্ৰীলীলা গগৈয়ে কৈছে ঃ "আহোম যুগত অসমীয়া সাহিত্যৰ বুৰঞ্জীয়ে পুৰণি অসমীয়া সাহিত্যৰ সমগ্ৰ বুৰঞ্জীকে সামৰি আছে। এই যুগৰ সাহিত্যক দুটা ভাগত ভাগ কৰিব পাৰি—সন্ত্ৰীয়া ঐতিহ্যৰ সাহিত্য আৰু ৰজা ঘৰীয়া পৃষ্ঠপোষকতাত সৃষ্টি হোৱা সাহিত্য প্ৰথম বিধ সাহিত্য মূলত ঃ ধৰ্ম মূলক আৰু আহোম ৰজা সকলৰ দেৱত্তোৰ ব্ৰহ্মত্তোৰ লাভ কৰা সত্ৰবোৰতে এই শ্ৰেনী সাহিতাই জন্ম লাভ কৰে। এই সাহিত্য সমূহ সাধাৰণতে পুৰণি কাব্য, মহাকাব্য, তত্ত্বগধুৰ গ্ৰন্থ আৰু কিছুমান সংস্কৃত মহাপুথিৰ অংশ বিশেষ বা সম্পুৰ্ণ মুৰ্কলি অনুবাদ, ভাৱানুবাদ বা ছায়ামায়া অনুবাদ। আনহাতে দ্বিতীয়বিধ সাহিত্য ঘাইকৈ বুৰঞ্জী, ধৰ্মনিৰপেক্ষ ব্যৱহাৰিক সাহিত্য আৰু শাস্ত্ৰ সাহিত্য আদি। এইবিধ সাহিত্য সৃষ্টিৰ মূলতঃ ৰজাঘৰীয়া পৃষ্ঠপোষকতা।

আহোম সকলৰ বিশাল সাহিত্য সম্ভাৰ সম্পৰ্কে আলোচনা কৰিলে প্ৰথমেই আহোম সকলে প্ৰণয়ন কৰা "বুৰঞ্জী" সাহিত্যৰ কথাকেই কব লাগিব। "বুৰঞ্জী" শব্দটো আহোম ভাষাৰ পৰা আহিছে। ইয়াৰ অৰ্থ হৈছেঃ "বু" মানে মুৰ্খ বা নজনা "ৰণ" মানে জনা / জ্ঞান বা শিক্ষা আৰু "জী" মানে ভৰাল ; অৰ্থাৎ নজনা কথা জনাৰ ভৰাল। আহোমসকলে অসমত ঘটা সমসাময়িক ঘটনা, ৰজা-মহাৰাজা, ডা-ডাঙৰীয়া, যুদ্ধ বিগ্ৰহ আদি ঘটনা, ৰজা-মহাৰজা, ডা-ডাঙৰীয়া, যুদ্ধ-বিগ্ৰহ আদি কথাবোৰ লিপিবদ্ধ কৰি ৰাখিছিল। এনে লিপিবদ্ধ বুৰঞ্জী সাহিত্য ভাৰতৰ আন প্ৰাদেশিক ভাষাৰ বুৰঞ্জীৰ ভিতৰত অন্যতম বুলি কলেও বঢ়াই কোৱা নহয়। অসমীয়া বুৰঞ্জী সাহিত্যৰ বিষয়ে ভাষাতত্ত্ববিদ ডঃ গ্ৰীয়ৰ্চেন চাহাবে কৈছে ঃ The Assamese are justly proud of their national literature. In no department have they been more successful than in a branch of Study in which India, as a rule, is curiously deficient. The historical works or Buranjis numerous and voluminous. A knowledge of the Buranjis was an indispensable qualification to an Assamese gentleman. ছ'শ বছৰীয়া আহোম শাসন কালত কেবাশ বুৰঞ্জী ৰচনা কৰা হৈছিল। কিন্তু পৰিতাপৰ বিষয় আহোমসকলৰ বুৰঞ্জী সাহিত্য সমূহৰ ক্ষেত্ৰত বৈজ্ঞানিক দৃষ্টি ভঙ্গীৰ দ্বাৰা প্ৰনালীবদ্ধ অধ্যয়ন খুব কমেই হোৱা দেখা যায়।

বুৰঞ্জী সাহিত্যৰ বাহিৰেও আহোম যুগত বহুতো সাহিত্য ৰচিত হৈছে। সাহিত্য ৰচনাৰ ক্ষেত্ৰত প্ৰথমে স্বৰ্গদেউ জয়ধ্বজ সিংহৰ নাম ল'ব লাগিব। তেওঁ 'পদ্মপুৰাণ'ৰ জনকৰ আখ্যানৰ পদ ৰচনা কৰে। তাৰোপৰি তেওঁ কিছু গীত-পদ-পয়াৰ ৰচনা কৰে। তেওঁৰ ৰচনা সাৱলীল, প্ৰাণস্পৰ্শী আৰু বোধগম্য। উদাহৰণ স্বৰূপে, সীতাক ৰাৱণে হৰণ কৰি নিয়াৰ পিচত ৰামৰ মনৰ ব্যাকুলতা জয়ধ্বজ সিংহই সাহিত্য সম্ভাৰেৰে জন সাধাৰণৰ বুজাত সহজ-লব্ধ কৰি তুলিছে—

ঐ প্ৰানেশ্বৰী জনক নন্দিনী
তোক হৰুৱাইলো মোৰে।
ইটো বিজুবনে প্ৰাণ ধৰো কেনে
না দেখি বদন তোৰে ॥
ৰাজ্য ভৈল নাশ বনে হৈল বাস
তোক পাহৰিবো কেনে।
মোৰে প্ৰানেশ্বৰী পৰে নিলে হৰি

জীৱন ধৰিব কেনে ॥

নাৰ্পান্দিব হাৰ হৃদয়ে আমাৰ

অন্তৰ দেখিয়া তোবে ।

আগে সিন্ধুৰাজ মধ্যত সুন্দৰী

বিৰহ দগধ মোৰে ॥

এহি বুলি তাপে কৰয় বিলাপ

সীতাৰ বিয়োগ পাই ।

ৰামৰ চৰণে ভাবি একমনে

জয়ধ্বজ সিংহে গায় ॥ — ( গীত )

জয়ধ্বজ সিংহৰ ৰাজত্ব কালৰ পৰা অসমত আহোম ৰবি মাৰ নোযোৱালৈকে স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতা পাই বিভিন্ন পণ্ডিতে বহুতো সাহিত্যৰ সৃষ্টি কৰি গৈছে । তাৰ ভিতৰত প্ৰথমে ৰামানন্দ দ্বিজৰ ( ১৭ শ শতিকা ) নাম ল'ব লাগিব । তেওঁ আহোম স্বৰ্গদেউসকলৰ পৃষ্ঠপোষকতা লাভ কৰি কিছু সাহিত্যৰ সৃষ্টি কৰি গৈছে । তেওঁৰ ৰচিত সাহিত্য কৃতি হ'ল ঃ ৬৮ টা শাস্ত্ৰীয় গীত, প্ৰেম কলহৰ নাটৰ গীত, শংকৰ-মাধৱদেৱৰ ৰচিত ভীষ্ম পৰ্ব, হিতোপদেশ, পুতলা চৰিত, মহা-মোহ কাব্য ( আংশিক ) গোপাল দেৱ চৰিত । ' মহামোহকাব্য'ত কবিয়ে কৈছে যে পৃথিৱীৰ মানুহ মায়াৰ বন্দি ; ভাৰ্য্যা, পুত্ৰ-কন্যা, ধন ঐশ্বৰ্য, মান-যশ এই আটাইবোৰ মায়াৰ চলনা । এই মায়াৰ চলনাত পৰি মানুহে বহুতো যাতনা ভুঞ্জে । মানুহৰ এনে যাতনা দেখি মায়াই কুটিল হাঁহি মাৰে ঃ

এহিমতে মায়া পাতয় জঞ্জাল

বিবেক পুৰত যাই ।

o o o o o o

বিয়োগৰ শোকে পুৰি মৰে লোকে

দেখি মায়া কৰে হাস ॥

সেইদৰে তেওঁৰ শাস্ত্ৰীয় গীত পদ সমূহও জন সাধাৰণৰ মুখপাঠ্য । ৰামানন্দ দ্বিজ কবিৰ সমসাময়িক ৰামমিশ্ৰ দেবেও ' বৃন্দাবন চৰিত ' নামৰ এখনি চৰিত পুথি ৰচনা কৰিছে । স্বৰ্গদেউ গদাধৰ সিংহইও সাহিত্য ৰচনাৰ ক্ষেত্ৰত পৃষ্ঠাপোষকতা আগবঢ়াইছিল । তেওঁৰ ৰাজত্ব কালত ৰামচন্দ্ৰ বৰপাত্ৰ গোহাঁইয়ে যোগিনী তন্ত্ৰৰ বিষয় বস্তুলৈ কীৰ্ত্তনৰ ঠাঁচত ' হয়গ্ৰীৱ মাধৱ ' ৰচনা কৰে ।

স্বৰ্গদেউ ৰুদ্ৰসিংহ নিজে এজন বিদ্যোৎসাহী, বিলাসী শাসন কৰ্ত্তা আছিল । অসমৰ স্থাপত্য, ভাস্কৰ্য, সাহিত্য সংগীতকলা আদি সকলো দিশতে তেওঁৰ অৱদান অতুলনীয় । এইজনা স্বৰ্গদেউৰ পৃষ্ঠপোষকতাত থাকিয়েই ৰামনাৰায়ণ কবিৰাজ চক্ৰৱৰ্তীয়ে জয়দেৱৰ " গীত-গোবিন্দ "ৰ অসমীয়া ভাঙণি কৰে । আকৌ স্বৰ্গদেউৰ আদেশক্ৰমে তেওঁ " ভাস্বতী " নামৰ জ্যোতিষ পুথি ৰচনা কৰে ।

স্বৰ্গদেউ ৰুদ্ৰসিংহৰ মৃত্যুৰ পিচত কবিৰাজ চক্ৰৱৰ্ত্তী স্বৰ্গদেউ শিৱসিংহৰ ৰাজদৰবাৰৰ পূৰ্ণ পোষকতা পায় । শিৱসিংহ আৰু বৰৰাণী ফুলেশ্বৰী কুঁৱৰীৰ পৃষ্ঠপোষকতাত তেওঁ " শকুন্তলা কাব্য ", " শংখচূড় বধ" ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ " কৃষ্ণ জন্ম খণ্ড" ৰচনা কৰে । " কৃষ্ণ জন্ম খণ্ড " পুথিখনৰ শেষৰফালে বৃন্দাবনত শ্ৰীকৃষ্ণ গোপীৰ ক্ৰীড়া বৰ্ণনা কৰা আছে । ' শংখচূড় ' বধ কাব্যত কাহিনীৰ অৰ্থব্যঞ্জক ৰঙীন ছবি পোৱা যায় ।

স্বৰ্গদেউ শিৱসিংহ, বৰৰাণী ফুলেশ্বৰী কুঁৱৰী আৰু অম্বিকাৰ পৃষ্ঠপোষকতাত কবিৰাজ চক্ৰবৰ্তীৰ উপৰিও আন কেবাজনো পণ্ডিতে কিছু মূল্যবান সাহিত্য ৰচনা কৰে । সেই সকলৰ ভিতৰত সুকুমাৰ বৰকায়থৰ " হস্তীবিদ্যাৰ্ণৱ " অনন্ত আচাৰ্যৰ " আনন্দ লহৰী " ৰমানন্দ দ্বিজৰ " বৃহৎ উষাহৰণ " আৰু কবিচন্দ্ৰ দ্বিজৰ " ধৰ্ম পুৰাণ " ।

১৭৩৪ খৃঃ ত ৰচনা কৰা সুকুমাৰ বৰকায়থৰ " হস্তীবিদ্যাৰ্ণৱ " খন এখন সচিত্ৰ পুথি । এই পুথিখনত নানা ৰকমৰ হাতী, সিহঁতৰ স্বভাৱ, বেমাৰী আৰু তাৰ ঔষধ আদিৰ বিষয়ে উল্লেখ আছে । এই পুথিখনৰ বিষয়ে অসমৰ ভূতপূৰ্ব চিফ কমিচনাৰ চাৰ আৰ্চডেল আৰ্ল চাহাবে কৈছিল ঃ " হস্তী-বিদ্যাৰ্ণৱ নামৰ সচিত্ৰ পুথিখনে ইউৰোপৰ যি কোনো যাদুৰ বা পুথিভঁৰালতে সমাদৰ লাভ কৰিব ।" এনে ধৰণৰ চিকিৎসা শাস্ত্ৰ

আন এখন আবিষ্কাৰ হৈছে। শেন চৰাইৰ শিক্ষা আৰু ইয়াৰ বেমাৰ আজাৰৰ চিকিৎসা সম্পৰ্কে লিখা এই পুথিখন হৈছে "শেনৰ ব্যাধি।"

স্বৰ্গদেউ শিৱসিংহ আৰু তেওঁৰ উত্তৰাধিকাৰী সকলৰ ৰাজত্ব কালত বহুতো পুথি ৰচিত হৈছে। তাৰ ভিতৰত ভোলানাথ দ্বিজৰ "শল্যপৰ্ব," দ্বিজ ৰামানন্দৰ "উদ্যোগপৰ্ব" দুৰ্গেশ্বৰ দ্বিজৰ "ব্ৰহ্মবৈৱৰ্ত্তৰ" প্ৰকৃতি খণ্ড," বুচিনাথ কন্দলিৰ "চণ্ডীপদ" আৰু "কল্কিপুৰাণ" লক্ষ্মীনাথ দ্বিজৰ "শান্তিপৰ্ব," বিদ্যাচন্দ্ৰ কবি শেখৰ ভট্টাচাৰ্য্যৰ "হৰিবংশ কথা" আৰু কবি দ্বিজ গোস্বামীৰ "কাব্য শাস্ত্ৰ" ৰচিত হয়। স্বৰ্গদেউ ৰাজেশ্বৰ সিংহইও সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত অধিক পৃষ্ঠপোষকতা আগবঢ়াই। তেওঁ নিজে ৰজা হৈও দেশীয় ভাষাত "কীচক বধ" নামৰ নাটক এখন ৰচনা কৰে বুলি কোৱা হয়।

অসমৰ ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, ভাষা সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমন বুকুৰ ওপৰত পৰা বৰশিল। মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ আহোমসকলৰ ৰাজনৈতিক বিপৰ্যয়ৰ দিন। এই বিপৰ্যয়ৰ বা ভাষা সাহিত্যৰ গাটো লাগিছিল। ফলস্বৰূপে ভাষা সাহিত্য বিকাশৰ ক্ষেত্ৰটো বিপৰ্যয় আহি পৰিছিল তথাপি নানা বিপৰ্যয়ৰ মাজেৰে হলেও এই সময়ছোৱাত বাগীশৰ "নীতি-লতাংকুৰ," পৃথুৰাজ দ্বিজৰ "মুষলপৰ্ব," মহাপ্ৰাস্থনিক পৰ্ব" আৰু স্বৰ্গাৰোহন পৰ্ব (১৮০১) ৰচিত হয়।

এই কালছোৱাৰ ভিতৰত ভৱকান্ত বিপ্ৰৰ "সম্বৰাসুৰ বধ", লক্ষ্মীকান্ত দাসৰ "কুমাৰ হৰণ", ধৰ্মদেৱ ভট্টৰ "ধৰ্মোদয়," বিদ্যাকাঞ্চন কবিৰ "শ্ৰীকৃষ্ণ প্ৰয়ান," কবি চন্দ্ৰ বিপ্ৰৰ "কামকুমাৰ হৰণ" গোবিকান্ত দ্বিজৰ "বিঘ্নেশ-জন্মোদয়" দীনথান দ্বিজৰ শংখচূড় বধ," শ্ৰীকান্ত সূৰ্য্য বিপ্ৰৰ "ৰামচৰিত মানস" আদি পুথি ৰচিত হয়।

আহোম যুগত ৰচিত তন্ত্ৰ-মন্ত্ৰ আৰু গাঁৱলীয়া বেজবোৰে ব্যৱহাৰ কৰা নানা ৰকমৰ পুথিও আবিষ্কৃত হৈছে। এনে ধৰণৰ উল্লেখযোগ্য পুথি কেইখনমান হ'ল সাপৰ ধৰণীধৰা মন্ত্ৰ, কঁৰতি মন্ত্ৰ, সৰ্বধাক মন্ত্ৰ, কামৰত্ন তন্ত্ৰ, ভূতৰ মন্ত্ৰ, ক্ষেত্ৰ মন্ত্ৰ আদি। সমাজত প্ৰচলিত অন্ধ বিশ্বাস, জনবিশ্বাস আৰু সামাজিক বুৰঞ্জী হিচাবে এই মন্ত্ৰবোৰ দৰকাৰী আৰু আমোদজনক।

মুঠতে আহোম যুগত অসমীয়া সাহিত্যৰ ভালেখিনি চিন্তা-চৰ্চা হৈছিল। এই যুগৰ সাহিত্যিক সকলে বিভিন্ন কাব্য, মহাকাব্য, নানা ধৰণৰ সংস্কৃত পুথিৰ পৰা বছা-বছা আহিলা গোটাই অসমীয়া সাহিত্য সংস্কৃতিৰ ভঁৰাল চহকী কৰিছিল। এই যুগৰ সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত ব্ৰাহ্মন সকলৰ অৱদান আছিল সৰ্বাধিক। তেওঁলোকৰ হাতত সংস্কৃত ভাষা সাহিত্যৰ বিস্তৰ চৰ্চা হৈছিল। কিন্তু বৰ পৰিতাপৰ বিষয়, ইংৰাজ সকলৰ আগমনৰ লগে লগে সংস্কৃত পুথি অনাদৰত পৰি নষ্ট হয়। সেইবোৰ যিয়েই নহওঁক, পৰিমাণ আৰু গুণ উভয়দিশ পৰ্যবেক্ষণ কৰি কব লাগিব যে আহোম যুগৰ অসমীয়া সাহিত্যৰ বৰঙণি সঁচাকৈ উচ্চমানৰ ঃ

---


বিঃ দ্ৰঃ— উক্ত প্ৰবন্ধটো যুগুত কৰোতে তলত উল্লেখিত গ্ৰন্থ সমূহৰ সহায় লোৱা হৈছে।

১। আহোম জাতি আৰু অসমীয়া সংস্কৃতি ঃ শ্ৰীলীলা গগৈ।

২। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ ডঃ শ্ৰীসত্যেন্দ্ৰ নাথ শৰ্মা।

৩। সঞ্চয়ন ঃ সম্পাদক, ডঃ মহেশ্বৰ নেওগ।

৪। বুৰঞ্জীৰ প্ৰৱাহ ঃ মৃদুপৱণ গোস্বামী।

৫। অসম দেশৰ বুৰঞ্জী ঃ শ্ৰীলক্ষ্মী দেৱী।

৬। অসমীয়া নাট্য সাহিত্য ঃ ডঃ শ্ৰীসত্যেন্দ্ৰ নাথ শৰ্মা।

৭। অসম দেশৰ বুৰঞ্জী ঃ প্ৰভাত চন্দ্ৰ শৰ্মা।

৮। বুৰঞ্জী বীথিকা ঃ সদানন্দ চলিহা।

# অসমীয়া অঙ্কীয়া নাটৰ সূত্ৰধাৰ আৰু পুৰণি গ্ৰীক নাটকৰ ক'ৰাছৰ বৈশিষ্ট্য

মিচ মায়াবাণী বড়ো
১ম বাৰ্ষিক, উচ্চতৰ মাধ্যমিক ( কলা )

পুৰণি অঙ্কীয়া নাটসমূহ সংস্কৃত নাটকৰ আলমত লিখা হৈছিল যদিও ইয়াৰ এটা নিজস্ব বৈশিষ্ট্য আছে। এই নাটসমূহ ৰচনাৰ ক্ষেত্ৰত সংস্কৃত নাটকৰ প্ৰভাৱৰ উপৰিও ভালেমান থলুৱা প্ৰভাৱো আছে। পুৰণি কালত অসমত ওজাপালিৰ যথেষ্ট প্ৰচলন আছিল। ডক্টৰ মহেশ্বৰ নেওগদেৱে তেতিয়াৰ দিনত অসমত প্ৰচলিত নটুৱা নাচৰ উপৰিও মনকৰ দুৰ্গাবৰৰ পদ আৰু বিয়াহৰ গীত গোৱা ওজাপালিৰ প্ৰভাৱ অঙ্কীয়া নাটত পৰিব পাৰে বুলি অনুমান কৰে। ডক্টৰ বাণীকান্ত কাকতিয়ে উল্লেখ কৰিছে যে পুৰণি গ্ৰীক নাটকৰ লগতো অঙ্কীয়া নাটৰ কোনো কোনো ক্ষেত্ৰত মিল দেখিবলৈ পোৱা যায়। অৱশ্যে পুৰণি গ্ৰীক নাটকৰ প্ৰত্যক্ষ প্ৰভাৱ অঙ্কীয়া নাটত নিশ্চয় পৰা নাই।

অসমীয়া অঙ্কীয়া নাট সমূহৰ এক অপৰিহাৰ্য অঙ্গ হ'ল সূত্ৰধাৰ। সংস্কৃত নাটকতো সূত্ৰধাৰ আছে; কিন্তু সংস্কৃত নাটকৰ সূত্ৰধাৰ আৰু অসমীয়া অঙ্কীয়া নাটৰ সূত্ৰধাৰৰ মাজত ভালেখিনি পাৰ্থক্য আছে। সংস্কৃত নাটকৰ সূত্ৰধাৰৰ কাম হ'ল নান্দী গোৱা, গ্ৰন্থকাৰৰ পৰিচয় দিয়া আৰু কি উদ্দেশ্যে নাটকখন মঞ্চস্থ কৰা হৈছে দৰ্শকক বুজাই দিয়া। এইখিনি কাম কৰাৰ পিছত সূত্ৰধাৰক আৰু মঞ্চত দেখিবলৈ পোৱা নাযায়। কিন্তু অসমীয়া অঙ্কীয়া নাটত সূত্ৰধাৰজন নাট অভিনয়ৰ আদিৰ পৰা পৰিসমাপ্তি লৈ মঞ্চত থাকে। তেৱেঁ দৰ্শকক নাটৰ ঘটনাৱলী 'আহে সামাজিক লোক' বুলি বুজাই দিয়ে। কোঠালিৰ বেৰত আঁৰি হোৱা মানচিত্ৰবোৰৰ বিষয়-বস্তু আঙুলিৰে দেখুৱাই দিয়াৰ দৰে সূত্ৰধাৰে অঙ্কীয়া নাটৰ ঘটনা পৰম্পৰা আৰু তাৎপৰ্য দৰ্শকৰ চকুৰ আগত অৱশ্যকৈ ডাঙি ধৰে।

অসমীয়া অঙ্কীয়া নাটসমূহ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ এক অপূৰ্ব সৃষ্টি। মহাপুৰুষে ভাগৱতী বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিবৰ কাৰণে নানা গীত, পদ আদি লিখি জনসাধাৰণক আকৃষ্ট কৰিছিল। অঙ্কীয়া নাট সৃষ্টিৰ মূলতো এই একেই উদ্দেশ্যে নিহিত আছে। নাটকত পৰিৱেশন কৰা বৈষ্ণৱ আদৰ্শ জনসাধাৰণৰ মাজত সহজ সৰল ৰূপত ডাঙি ধৰিবলৈ বুলি মহাপুৰুষে সূত্ৰধাৰৰ দৰে এক অনবদ্য চৰিত্ৰৰ সৃষ্টি কৰিছে। মহাপুৰুষৰ 'ৰুক্মিণী হৰণ' নাটৰ পৰা উদ্ধৃত কৰা কথাখিনিৰ পৰাই সূত্ৰধাৰৰ বৈশিষ্ট্যৰ এটা চমু আভাস পাব পাৰি। শঙ্কৰদেৱৰ 'ৰুক্মিণী হৰণ' নাটত ৰুক্মিণীয়ে ভগৱান শ্ৰীকৃষ্ণক স্বামীৰূপে পাবৰ বাবে বেদনিধিৰ হতুৱাই কৃষ্ণলৈ ভিতৰি বাৰ্তাৰি পঠালে। বাৰ্তাৰি পোৱাৰ লগে লগে শ্ৰীকৃষ্ণ সসৈন্যে কুণ্ডিল নগৰীলৈ আহে। ৰুক্মিণীৰ ককায়েক ৰুক্মবীৰ সমৰ্থিতে বিপক্ষ ৰজা সকলৰ লগত যুঁজি তেওঁলোকক পৰাজিত কৰে। ৰুক্মিণীৰ কাতৰ অনুৰোধত শ্ৰীকৃষ্ণই ৰুক্মক প্ৰাণে নামাৰি ৰুক্মিণীক দ্বাৰকালৈ লৈ গৈ বিবাহ কাৰ্য সম্পন্ন কৰিলে। ৰুক্মবীৰৰ এনে অৱস্থাত সূত্ৰধাৰে দৰ্শকক সকিয়াই দিছে এই বুলি—"যৈতে মৃতক শৱ সদৃশ ৰুক্মী মাটিতে পৰিয়ে ৰহল, তাহে লোক দেখো দেখো; যো হৰিক দ্ৰোহ কৰয়, হৰিগুণ নাম লৈতে নিন্দা কৰয়, সোহি পাপীক দেখহ। জানি হৰিভকতিক নিন্দা ছোড়; হৰি বোল হৰি বোল।" নাটকৰ কাহিনী ইয়াতে অন্ত পৰাত

সূত্ৰধাৰে মুক্তি মঙ্গল ভটিমা গোৱাৰ আগে আগে দৰ্শকক পুনৰ স্মৰণ কৰাই দিছে— " ওহি কৃষ্ণ চৰিত্ৰ কথা, যে সাধুসবে শ্ৰদ্ধায়ে কহে, শ্ৰদ্ধায়ে শুনে সে সৱক হৰিৰ কৃপা মিলোক। আহে লোকাই, দেখু ভাটক মুখে বুক্মিণী কৃষ্ণ গুণ শুনিয়ে কৃষ্ণ চৰণে শ্ৰদ্ধা মাত্ৰ কয়ল, অতয়ে ভকতক পৰম কৃপালু শ্ৰীকৃষ্ণ তনিকৰ বশ্যহুয়া গৃহ-গৃহিনী কয়ল। আঃ হৰি ভকতিক মহিমা কি কহব ? জানি কৃষ্ণ চৰণে চিত্ত দিয়া নিৰন্তৰে হৰি বোল হৰি বোল।"

এইদৰে দেখা যায় যে সকলোবোৰ অঙ্কীয়া নাটতে সূত্ৰধাৰজন হ'ল নাটৰ ঘটনা পৰম্পৰা আৰু দৰ্শকৰ মাজত মধ্যস্থ ব্যক্তি। সূত্ৰধাৰৰ ব্যাখ্যাই নাটৰ ঘটনাৰ জটিলতা আঁতৰাই দৰ্শকৰ মনত বক্তব্য বিষয়ৰ গভীৰ ছাপ বহুৱায়। আন হাতে পুৰণি গ্ৰীক নাটকৰ ক'ৰাছৰ কাৰ্যাৱলীও লক্ষণীয়। অঙ্কীয়া নাটৰ সূত্ৰধাৰৰ লগত সকলো বিষয়তে মিল নেথাকিলেও ক'ৰাছেও নাটকৰ অভিপ্ৰেত বক্তব্যক দৰ্শকৰ বোধগম্য কৰি তোলাত যথেষ্ট সহায় কৰে। অসমীয়া অঙ্কীয়া নাট আৰু পুৰণি গ্ৰীক নাটক সাধাৰণতে গীতি-ধৰ্মী হোৱাত সূত্ৰধাৰ আৰু ক'ৰাছৰ কাৰ্যক্ৰমৰ কিছু মিল দেখিবলৈ পোৱা যায়। অঙ্কীয়া নাটত সূত্ৰধাৰে মুক্তি-মঙ্গল ভটিমাৰে নাটকীয় ঘটনাৰ সামৰণি মাৰে। পুৰণি গ্ৰীক নাটকৰ ক'ৰাছেও নাটকৰ শেষত নাটকীয় কাহিনীৰ উদ্দেশ্য সম্বন্ধে বক্তব্য ৰাখে। প্ৰাচীন গ্ৰীক নাটকৰ বৈশিষ্ট্যৰ আলম লৈ লিখা প্ৰখ্যাত ইংৰাজ কবি মিল্টনৰ 'ছামছন এগ'নিষ্ট'ৰ পৰা এই কথাৰ আভাস পাব পাৰি। অঙ্কীয়া নাটত সূত্ৰধাৰে মুক্তি-মঙ্গল ভটিমা গোৱাৰ দৰে উক্ত নাটকখনত ক'ৰাছেও নাটকৰ পৰি সমাপ্তি ঘটাইছে এইদৰে—

All is best, though we oft doubt
What the unreasonable dispose
Of Highest wisdom brings about
And ever best found in the close.

( মহান বিজ্ঞ প্ৰভু ভগৱানৰ অবিচৰণীয় কাৰ্যৰ কেনে ফল দিয়ে সেই বিষয়ে যদিও কেতিয়াবা আমাৰ সন্দেহ হয় তথাপি ই সদায় শ্ৰেয় আৰু শেষত চিৰ শ্ৰেষ্ঠ ৰূপেই প্ৰতিফলিত হৈ থাকে )।

ডক্টৰ সত্যেন্দ্ৰ নাথ শৰ্মাদেৱে সূত্ৰধাৰৰ দ্বাৰা অনুষ্ঠিত প্ৰধান কৰ্তব্যসমূহ এনেধৰণে ব্যাখ্যা কৰিছে—

(১) নান্দী আৰু প্ৰাৰম্ভিক ভটিমাৰ আবৃত্তি আৰু তাৰ লগে লগে মাঙ্গলিক ভক্তি জ্ঞাপক নৃত্য।

(২) সঙ্গীৰ লগত কথা প্ৰসঙ্গত নাটৰ নাম আৰু অভিনয় দৰ্শনৰ ফলাফল।

(৩) ৰঙ্গমঞ্চত প্ৰধান চৰিত্ৰকে প্ৰমুখ্য কৰি পাত্ৰ-পাত্ৰী সমূহক প্ৰৱেশকৰণ আৰু দৰ্শকৰ আগত গীত কথাৰ যোগেদি পৰিচয় প্ৰদান।

(৪) নাটকীয় ঘটনা পৰম্পৰা আৰু পৰিস্থিতি সমূহ গীত আৰু কথা সূত্ৰৰ যোগেদি মুকলিকৈ প্ৰকাশ কৰা আৰু ঘটনা পৰম্পৰাৰ যোগসূত্ৰ স্থাপন কৰা। সংস্কৃত শ্লোক, ব্ৰজাৱলী গীত, পয়াৰ আৰু গদ্যাত্মক বৰ্ণনা বা ব্যাখ্যা—
এই তিনিটা অঙ্গ সূত্ৰধাৰৰ দ্বাৰাই অনুষ্ঠিত হয় আৰু ইয়াৰ যোগেদি তেওঁ অভিনেয় ঘটনা পৰম্পৰা আৰু পৰিস্থিতি সমূহ দৰ্শকৰ আগত গাম্ভীৰ্য ৰক্ষা কৰি আকৰ্ষণীয় ৰূপত উপস্থাপিত কৰে। অৱশ্যে চৰিত্ৰ বিশেষৰ বিলাপ বা তেনে ধৰণৰ ব্যক্তিগত সুখ-দুখ জ্ঞাপক গীত সূত্ৰধাৰে নাগায়।

(৫) আধুনিক অভিনয় স্মাৰকৰ দৰে কোন চৰিত্ৰই কেতিয়া আৰু কাৰ পাছত বচন মাতিব লাগে আৰু কি কাৰ্য কৰিব লাগে তাৰ নিৰ্দেশ দিয়ে।

(৬) ৰঙ্গমঞ্চত অভিনয় কৰি দেখুৱাব নোৱাৰা ( দৰ্শকে অনুমান কৰি লবলৈ ) বৰ্ণনা প্ৰদান।

(৭) মুক্তিমঙ্গল ভটিমাৰ যোগেদি নাটৰ পৰিসমাপ্তি।

ক'ৰাছে সূত্ৰধাৰৰ নিচিনাকৈ কোনো প্ৰাৰম্ভিক ভটিমা আবৃত্তি নকৰে বা নাটৰ নাম উল্লেখ নকৰে। এৰিষ্টটলে ক'ৰাছক নাটকীয় কাৰ্যাৱলীৰ অংশ গ্ৰহণ-কাৰী বুলি উল্লেখ কৰিছে। তেখেতে নাটকৰ অভিনয়ত ক'ৰাছে সম্পন্ন কৰা প্ৰধান কাৰ্যসমূহ এনেদৰে বৰ্ণনা কৰিছে—

(১) সং চৰিত্ৰবান লোকৰ প্ৰতি সাহসবাণী আৰু বন্ধুত্ব পূৰ্ণ উপদেশ প্ৰদান কৰা।

(২) নীচলোকৰ প্ৰতি গৰিহণা আৰু ধৰ্মপ্ৰাণ ব্যক্তিৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰা ।

(৩) ন্যায়, শান্তি আৰু নীতিৰ প্ৰতি অনুগত জনৰ প্ৰশংসা কৰা ।

(৪) বিপদৰ সময়ত ধৈৰ্যৰ প্ৰয়োজনীয়তাৰ বৰ্ণনা কৰা।

(৫) গৰ্বীজনৰ দৰ্প-চূৰ্ণ আৰু বিপদমুখীজনক উদ্ধাৰ কৰি শান্তি প্ৰদান কৰাৰ মানসেৰে দেৱতাৰ ওচৰত প্ৰাৰ্থনা কৰা ।

ক'ৰাছে এনেদৰে কাৰ্যসমূহ সম্পাদন কৰা বাবে শ্লেজেলে ( Schlegel ) ক'ৰাছক আদৰ্শনীয় দৰ্শক ( The Spectator idealised ) বুলি অভিহিত কৰিছে । ক'ৰাছে জ্ঞানৰ শিকনিৰে জীৱনৰ পৰ্যালোচনা কৰে ।

সূত্ৰধাৰ আৰু ক'ৰাছৰ মাজত কিছু পাৰ্থক্য পৰিলক্ষিত হয় । গ্ৰীক নাটকত ক'ৰাছ শব্দই সমদল গীত বুজায় ; অঙ্কীয়া নাটত সূত্ৰধাৰ একক ব্যক্তি । সূত্ৰধাৰজনে ' আহে সামাজিক লোক ' বুলি দৰ্শক সকলক ঘটনাৰ পৰিস্থিতিটো বুজাই দিয়ে । ক'ৰাছে কিন্তু দৰ্শকক উদ্দেশ্য কৰি মুখা-মুখিকৈ কথা নকয়। ঘটনাৰ পৰিস্থিতিটো গীতৰ মাধ্যমেৰে বৰ্ণনা কৰে। যদিও ক'ৰাছ আৰু সূত্ৰধাৰৰ মূল বেলেগ বেলেগ, তথাপি সকলো ভাষাৰ নাট সৃষ্টিৰ মূলতে উদ্দেশ্য একে হোৱাৰ বাবে সূত্ৰধাৰ আৰু ক'ৰাছৰ মাজত অমিলতকৈ মিল বেছি দেখিবলৈ পোৱা যায় ।

সূত্ৰধাৰ আৰু ক'ৰাছ যি উদ্দেশ্যে অঙ্কীয়া নাট আৰু পুৰণি গ্ৰীক নাটত ব্যৱহাৰ কৰা হৈছে সেই উদ্দেশ্য যথাৰ্থভাৱে সফল হৈছে দুয়োবিধ নাটকতে নাটকৰ বিষয়-বস্তুক সূত্ৰধাৰ আৰু ক'ৰাছে পৰিচ্ছন্ন ৰূপত ডাঙি ধৰিবলৈ সক্ষম হোৱা দেখা যায়। সূত্ৰধাৰ আৰু ক'ৰাছ যেন দুয়ো শ্ৰেণী নাটৰ বিবেক স্বৰূপ ।

( প্ৰবন্ধটি যুগুত কৰোতে ডক্টৰ বানীকান্ত কাকতিৰ “ অঙ্কীয় ভাওনা ” আৰু শ্ৰীপদ্মৰাম শালৈৰ “ সূত্ৰধাৰ বনাম কৰাছ'ৰ সহায় লোৱা হৈছে ।” )

# সাক্ষাৎকাৰ শিতান ঃ

আমাৰ সাক্ষাৎকাৰ শিতানত এই বেলি আমাৰ ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱী আৰু সহৃদয় পঢ়ুৱৈ বাইজলৈ আগবঢ়াইছো এটি সাক্ষাৎকাৰ ঃ উদীয়মান বিজ্ঞানী শ্ৰীপ্ৰদীপ কুমাৰ দাসৰ সৈতে। বৰপেটাত জন্ম গ্ৰহণ কৰা শ্ৰীদাস ১৯৬৭ চনত বৰো হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষা দি দ্বিতীয় স্থান লৈ উত্তীৰ্ণ হয়। তাৰ পিচত বৰপেটা মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ পৰা প্ৰাক্‌বিশ্ববিদ্যালয় বিজ্ঞান শাখাৰ ফাইনেল পৰীক্ষাত সপ্তম স্থান লৈ উত্তীৰ্ণ হোৱাৰ পিচত ১৯৭১ চনত কটন মহাবিদ্যালয়ৰ পৰা পৰীক্ষা দি ৰসায়নত প্ৰথম শ্ৰেণীৰ সন্মান লৈ স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৭৩ চনত তেখেতে গুঃ বিশ্ববিদ্যালয়ৰ পৰা ৰসায়নত কৃতিত্বৰে স্নাতকোত্তৰ ডিগ্ৰী লৈ পোনতে ডিগবৈ আৰু পিচত যোৰহাট বিজ্ঞান মহাবিদ্যালয়ত প্ৰবক্তা হিচাবে ১৯৮০ লৈ সেৱা আগবঢ়োৱাৰ পিচত উচ্চ শিক্ষাৰ কাৰণে আমেৰিকালৈ যাত্ৰা কৰে। আমেৰিকাৰ ভাৰ্জিনিয়া পলিটেকনিক ইনষ্টিটিউট এণ্ড ষ্টেট ইউনিভাৰচিটিত ১৯৮৪ ত ৰসায়নত পি. এইচ. ডি উপাধি লাভ কৰে। ১৯৮০-৮৪ লৈ উক্ত অনুষ্ঠানত গৱেষণা সহায়ক হিচাবে কাম কৰাৰ পিচত ১৯৮৪ চনত আমেৰিকাৰ **Monsanto Corporation** ত টেকন'লজি স্পেচিয়েলিষ্ট হিচাবে নিয়োজিত হয়। সম্প্ৰতি তেখেতে **Monsanto Chemical Company** ৰ **Thermal Analysis & Solution Properties Laboratories, Exploratory & Fundamental Research Dept.** ৰ গ্ৰুপ লীডাৰ হিচাবে দায়িত্ব বহন কৰি আছে।

বিদেশৰ পৰা কেইটামান দিনৰ বাবে স্বদেশলৈ আৰু বিশেষকৈ বৰোৰ বাসস্থানলৈ অহা শ্ৰীদাসক যোৱা জানুৱাৰী মাহত আমাৰ মহাবিদ্যালয়লৈ নিমন্ত্ৰণ কৰি অনা হৈছিল যাতে আমাৰ ছাত্ৰ-ছাত্ৰী সকলক আমেৰিকাৰ শিক্ষা, সমাজ ব্যৱস্থাকে আদি কৰি বিভিন্ন দিশৰ ওপৰত তেখেতে ব্যক্তিগত অভিজ্ঞতাৰ পৰা কিছু কথা জনাব পাৰে। আমি জনাবলৈ পাই সুখী হৈছো যে শ্ৰীদাসে এই অনুষ্ঠানত নিজৰ ফালৰ পৰা কোৱা আৰু শিক্ষক-ছাত্ৰ-ছাত্ৰীৰ প্ৰশ্নৰ উত্তৰত কোৱা কথাথিনিয়ে অনুষ্ঠানৰ শ্ৰোতামণ্ডলীক যথেষ্ট উপকৃত কৰিছে। সেই অনুষ্ঠানৰ ফলপ্ৰসূতাই জৱাহৰ জ্যোতি'ৰ বাবে এটি সাক্ষাৎকাৰ লবলৈ আমাক উদ্‌গাইছিল আৰু সেই হিচাবে কেইটামান নিৰ্বাচিত প্ৰশ্ন লৈ শ্ৰীদাসক লগ কৰা হৈছিল। কিন্তু অলপ দিনীয়া ছুটীৰ অতিপাত ব্যস্ততাৰ বাবে তেখেতে সকলোবিলাক প্ৰশ্নৰ উত্তৰ সম্প্ৰতি দি যাবৰ সময় কৰিব নোৱাৰিলেও যি দুটা মান প্ৰশ্নৰ উত্তৰ দি থৈ গ'ল তাকেই আমি এই সংখ্যা 'জৱাহৰ জ্যোতি'ত প্ৰকাশ কৰিলোঁ। বাকীবোৰ প্ৰশ্নৰ উত্তৰ তেখেতে আমাক বিদেশৰ পৰা পঠিয়াই দিয়াৰ নিশ্চিত আশ্বাস দি গৈছে। 'জৱাহৰ জ্যোতি'ৰ পৰৱৰ্তী সংখ্যাত থকা সময়ত আমি সেইবোৰ আগবঢ়োৱাৰ আশা ৰাখিছোঁ। এই গৰ। মেধাবী অসমীয়া বিজ্ঞানীৰ কৰ্মময় জীৱনৰ আমি উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ আৰু লগতে আমাৰ মহাবিদ্যালয় আৰু 'জৱাহৰ জ্যোতি'লৈ তেখেতে দেখুওৱা আন্তৰিক সহায় সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

প্ৰশ্ন ঃ আপুনি বিদেশলৈ গৈ গৱেষণাৰ বাবে লোৱা বিষয়টো কি আছিল? সেই বিষয়টোৰ প্ৰতি আপুনি আকৃষ্ট হোৱাৰ কাৰণ কি? সেই বিষয়টোৰ ব্যৱহাৰিক প্ৰয়োগ কেনেকুৱা আৰু ভাৰতত আৰু বিশেষকৈ অসমত তাৰ প্ৰয়োগ কাৰ্যকৰী হোৱাৰ সম্ভাৱনা কিমান?

উত্তৰ ঃ **Polymer Chemistry** ৰ এটা অংশ— **Characterization of polymers by size Exclusion chromatography.**

আমেৰিকা ও অন্যান্য উন্নত দেশৰ বিজ্ঞান / প্ৰযুক্তি বিদ্যাত **Polymer** ৰ ব্যৱহাৰ আৰু প্ৰয়োজনীয়তা ক্ষিপ্ৰগতিত বাঢ়িছে। বৰ্তমান **Polymer** এ তীখাকে আদি কৰি বিভিন্ন ধাতুৰ প্ৰয়োগৰ ঠাই লৈছে। **Polymer** ৰ গুণবোৰ ইচ্ছা অনুযায়ী গঢ় দিব পাৰি বাবে ইয়াৰ প্ৰয়োগ সকলো ধৰণৰ **Advanced Materials Science & Technology** ত হব ধৰিছে।

ভাৰতত polymer প্ৰয়োগ হোৱা আৰম্ভ হৈছে—বিভিন্ন উদ্যোগত। পিছে ইয়াৰ প্ৰসাৰ এতিয়াও যথেষ্ট নিম্ন খাপৰ।

অসমত **Polymer** ৰ প্ৰয়োগ তেনেই সীমিত। ঔদ্যোগিক বিকাশৰ অভাৱত উন্নত **Materials Application** অসমত হোৱা নাই।


প্ৰশ্ন ঃ আমেৰিকাত থকা ভাৰতীয় বিজ্ঞানী, চিকিৎসক আদিৰ প্ৰতি আমেৰিকান সকলৰ বিশেষকৈ আমেৰিকাৰ বিজ্ঞানী, চিকিৎসক সকলৰ ধাৰণা কেনে ?

উত্তৰ ঃ ভাৰতীয় বিজ্ঞান, প্ৰযুক্তিবিদ্যাৰ প্ৰতি আমেৰিকান বিজ্ঞানীৰ ধাৰণা মিশ্ৰিত। ভাৰতীয় মহাকাশ বিজ্ঞান, আনবিক বিজ্ঞান আদিৰ প্ৰতি ধাৰণা বৰ উচ্চ। কিন্তু সৰ্বসাধাৰণৰ ব্যৱহাৰত অহা বিজ্ঞান, প্ৰযুক্তি বিদ্যাৰ মান বহু নিম্ন খাপৰ বুলি ধৰা হয়। ভাৰতীয় প্ৰশাসনৰ এই ক্ষেত্ৰত কৰিবলগীয়া বহু আছে।

"সেই শিল্পই সঁচা শিল্প, য'ত জীৱন প্ৰতিফলিত। ইয়াত পোৱা যাব মানৱ জীৱনৰ দ্বন্দ্ব-সংঘাত, সংগ্ৰাম-প্ৰেৰণা, জয়-পৰাজয়, মৰম-ভালপোৱা আৰু এজন মানুহৰ ব্যক্তিত্বৰ আটাইকেইটা দিশ। সেই শিল্পই সঁচা শিল্প, যি জীৱন সম্পৰ্কে মিছা ধাৰণা নিদিয়ে।"

—নাজিম হিকমত।

## 'জৱাহৰ জ্যোতি' সম্পাদনা সমিতি ১৯৮৬-৮৭ চন



থিয়হৈ [ বাওঁ ফালৰ পৰা ] অধ্যাপক দিলীপ দাস, ( তত্বাৱধায়ক, 'জৱাহৰ জ্যোতি' ) অধ্যাপক দ্বিজেন দাস ( সদস্য ) অমৰ দাস ( ছাত্ৰ সদস্য ) গৌৰাঙ্গ চৌধুৰী ( সম্পাদক, 'জৱাহৰ জ্যোতি' )

বহি ( বাওঁফালৰ পৰা ) অধ্যাপক বসন্ত কুমাৰ দত্ত ( সদস্য ), অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ ( সভাপতি ), অধ্যাপক শৰৎ চন্দ্ৰ তালুকদাৰ ( উপ-সভাপতি ), অধ্যাপক দেবেন্দ্ৰ নাথ শৰ্মা, অধ্যাপক ধৰ্মকান্ত বৰুৱা ( সদস্য )।

# : খেল জগত :

## : বডি লাইন আৰু ট্ৰ্যাজিক হিৰো :

প্ৰথম বিশ্বযুদ্ধৰ পৰিসমাপ্তিৰ পিচত ইংলেণ্ডৰ চিৰ উজ্জ্বল ৰবি লাহে লাহে অস্তমিত হবলৈ ধৰে। পৃথিবীৰ বিভিন্ন প্ৰান্তত উদয় হবলৈ ধৰে কিছুমান নতুন ৰাজনৈতিক শক্তি। এনে অৱস্থাত সূৰ্য অস্ত নোযোৱা ইংলেণ্ডৰ সাম্ৰাজ্য থৰক বৰক হবলৈ ধৰে। তাতে আকৌ আভিজাত্যাভিমানী ইংৰাজ জাতিৰ মৰ্যদা আৰু গৌৰৱৰ প্ৰতীক ক্ৰিকেটত আঘাত হানে অষ্ট্ৰেলিয়াৰ আমষ্টিং-ম্যাকডোলাল্ড গ্ৰেগৰীয়ে। তাৰ পিচত চাৰ ব্যাড্‌মানে নিৰ্মম চাবুক চলায় ইংলেণ্ডৰ ক্ৰিকেটৰ ওপৰত। অষ্ট্ৰেলিয়াৰ দৰে এখন উপনিবেশৰ হাতত পৰাজয় আছিল আত্মাভিমানী অভিজাত ইংৰাজ জাতিৰ এক মৰ্মাহত বেদনা। সেয়ে অষ্ট্ৰেলিয়াৰ ওপৰত প্ৰতিশোধ লবলৈ ডগলাচ জাৰ্ডিনৰ নেতৃত্বত ইংলেণ্ডে আৰম্ভ কৰে নতুন আৰু পৰিকল্পিত অভিযান। জাৰ্ডিনে ব্যাটচমেন সকলৰ দুৰ্বলতা আৰু ফিল্ড পেচিংৰ কৌশল সম্বন্ধে আলোচনাত মগ্ন হ'ল ক্ৰিকেট বিশেষজ্ঞ সকলৰ লগত। সকলো কৌশল পৰিকল্পিত ভাবে ঠিক থাক কৰি লোৱাৰ পিচত আক্ৰমনৰ প্ৰধান অস্ত্ৰ হিচাবে বাচি লোৱা হ'ল হেৰল্ড লাৰাউদ নামৰ এজন দুৰ্দান্ত ফাষ্ট বোলাৰ। লগত আৰু তিনিজন ফাষ্ট বোলাৰ। এইদৰে পূৰ্ণ প্ৰস্তুতিৰে জাৰ্ডিনে অষ্ট্ৰেলিয়াৰ মাটিত পদাৰ্পন কৰে।


জাৰ্ডিনে সাধাৰণ 'লেগ থিওৰি বোলিং' পৰিবৰ্তন কৰি ব্যাটচমেনৰ লেগৰ পিনে পাচজন ফিল্ডাৰ ৰাখি, দূৰত আৰু দুজন ফিল্ডাৰ ৰাখি ফিল্ড সজ্জিত কৰে আৰু দুৰন্ত ফাষ্ট বোলাৰ হেৰল্ড লাৰউদক দুৰ্দান্ত গতিৰে বোলিং কৰিবৰ নিৰ্দেশ দিয়ে। এনে অৱস্থাত অষ্ট্ৰেলিয়াৰ ব্যাটচমেন সকলে আঘাতৰ পৰা নিজৰ শৰীৰ ৰক্ষা কৰি প্ৰচণ্ড ৰক্ষাত্মক খেল খেলিবলৈ বাধ্য হয়। অথচ তেনে খেল খেলিলে ব্যাটচমেন সকলে 'সৰ্ট লেগ'ৰ পিনে ফিল্ডাৰক কেটচ্ দি আউট হোৱাৰ সম্ভাৱনা। 'হুক' কৰিলেও বিপদ। ফলস্বৰূপে লাৰউদৰ অসাধাৰণ ফাষ্ট বোলিংৰ আগত অসহায়ভাবে অষ্ট্ৰেলিয়াৰ ব্যাটচমেন সকলে আত্মসমৰ্পন কৰিবলৈ বাধ্য হয়। লাৰউদৰ এই বোলিং 'বডি লাইন' বোলিং বুলি অভিহিত কৰা হৈছে। 'বডি লাইন' শব্দটি প্ৰথম ব্যৱহাৰ কৰে মে'লবৰ্ণৰ হেৰাল্ড হিউ নামৰ এজন সাংবাদিকে। তেওঁ টেলিগ্ৰামৰ খৰছ কমাবলৈ গৈ Line with body নিলিখি bodyline শব্দটি ব্যৱহাৰ কৰে। এইদৰে এই শব্দটিয়ে জনপ্ৰিয়তা লাভ কৰে। (বৰ্তমান bodyline ৰ ওপৰত এখন চিৰিয়েল টেলিভিচন যোগে দেখুৱা হৈছে। অৱশ্যে ছবিৰ নায়ক লাৰউদে ছবিখন ভালপোৱা নাই বুলি এটা সাক্ষাৎকাৰত বৰ্ণনা কৰিছে)। এই লানি খেলত ইংলেণ্ডে অষ্ট্ৰেলিয়াক ৪—১ গেমত পৰাজিত কৰে। এই জয়ৰ বিতৰ্কিত নায়ক হ'ল ন্যাটিংহামাশায়াৰৰ দৰিদ্ৰ খনি বনুৱাৰ পুত্ৰ হেৰাল্ড লাৰউদ। তেওঁৰ দ্ৰুততম বেগ আৰু অভ্ৰান্ত লক্ষ্যই ইংলেণ্ডৰ ক্ৰিকেটক অন্ধকাৰৰ অতল গৰ্ভৰ পৰা তুলি আনি মৰ্যদাৰ আসনত পুনৰ প্ৰতিষ্ঠা কৰিছিল।

কিন্তু এই সফলতাই হেৰল্ডৰ ক্ৰিকেট জীৱনলৈ মাতি আনিছিল অকাল মৃত্যু। লাৰউদৰ বোলিংৰ আগত তিষ্ঠিব নোৱাৰা অষ্ট্ৰেলিয়াই ক্ষোভ আৰু হতাশা

প্ৰকাশ কৰিছিল ইংলেণ্ডৰ বিৰুদ্ধে। ফলত দুয়োখন দেশৰ মাজত দেখা দিয়ে ৰাজনৈতিক সংকট। এনে অৱস্থাত ৰাজনৈতিক সংকট মোচন কৰাৰ উদ্দেশ্যে ইংলেণ্ডৰ অভিমানী কৰ্মকৰ্তা সকলে দৰিদ্ৰ খনি শ্ৰমিকৰ পুত্ৰ লাৰউদক বলিৰ পঠা হিচাবে বাচি উলিয়ায়। ন্যায়-বিচাৰত গৰ্বিত ইংৰাজ জাতিয়ে নৈতিকতাৰ সকলো নিয়ম-নীতি বিসৰ্জন দি বডিলাইন বোলিংৰ বাবে লাৰউদক অষ্ট্ৰেলিয়াৰ ওচৰত ক্ষমা খুজিবলৈ বাধ্য কৰায়। অথচ ব্যাডমেনৰ দৰে ৰাণযন্ত্ৰেৰে পৰিপুষ্ট অষ্ট্ৰেলিয়াৰ ব্যাটচমেন সকলৰ বিৰুদ্ধে কেনে ধৰণৰ আক্ৰমণ গঢ়া হব ইংলেণ্ডৰ ক্ৰিকেট কৰ্মকৰ্তা সকলে আগতীয়াকৈ পৰিকল্পনা কৰি লৈছিল লাৰউদক হাতত লৈ। কিন্তু সেই সকলেই পিচত বডিলাইন বোলিংৰ সমস্ত দোষ আৰু দায়িত্ব জাপি দিয়ে লাৰউদৰ কান্ধৰ ওপৰত। ক্ষোভ আৰু হতাশাত ভাগি পৰা অসহায় লাৰউদে টেষ্ট ক্ৰিকেটৰ পৰা বিদায় লোৱাৰ সিদ্ধান্ত লয়। যি সকলৰ নিৰ্দেশ আৰু পৰিকল্পনা অনুযায়ী দেশৰ হৃত গৌৰৱ উদ্ধাৰৰ বাবে লাৰউদে ৰক্ত উজাৰ কৰি বোলিং কৰিছিল সেই সকলৰ দ্বাৰায়ে এতিয়া তেওঁ নিন্দিত হ'ল বডিলাইন বোলিংৰ বাবে।

ক্ৰিকেটৰ ইতিহাসত ট্ৰেজিক নায়ক লাৰউদৰ গুণে আছিল তেওঁৰ প্ৰধান দোষ অৰ্থাৎ তেওঁৰ দুৰন্ত গতি আৰু অভ্ৰান্ত লক্ষ্য। লাৰউদৰ দৰে ব্যাটচমেনৰ শৰীৰ লক্ষ্য কৰি বোলিং কৰাৰ উদাহৰণ ক্ৰিকেটৰ ইতিহাসত বিৰল নহয়। কিন্তু তেওঁৰ দৰে ইমান গতি আৰু অভ্ৰান্ত লক্ষ্য অন্য বোলাৰৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা নাছিল। জাডিছে সজোৱা ফিল্ডিং আৰু লাৰউদৰ দুৰন্ত গতিৰ অষ্ট্ৰেলিয়াৰ বেটচমেন সকলে সমুখীন হোৱা অসম্ভৱ আছিল। ভাগ্যৰ কি পৰিহাস, যিজনে অষ্ট্ৰেলিয়াক খানবান কৰি ইংলেণ্ডক বিজয় মাল্য পিন্ধাই দিছিল, সেইজনেই ইংলেণ্ডৰ ক্ৰিকেট কৰ্মকৰ্তা সকলৰ নিলৰ্জ্জ স্বাৰ্থপৰতাত অতিষ্ঠ হৈ অষ্ট্ৰেলিয়ালৈ গুচি আহিছিল। এইদৰেই এজন বিৰল প্ৰতিভাধৰ খেলুৱৈৰ ক্ৰিকেট জীৱন দুখজনকভাৱে ইতি পৰিছিল। তথাপি লাৰউদৰ ভূমিকা ক্ৰিকেট ইতিহাসৰ এটা স্মৰণীয় অধ্যায়। যিদৰে ভিভ ৰিচাৰ্ড বা গাভাস্কাৰৰ শিল্পময় বেটিঙে দৰ্শকৰ মনত আনন্দৰ বন্যা বোৱাই দিয়ে, যিদৰে ম্যালকম মাৰ্চেল বা ইমৰাণৰ বোলিংৰ দুৰন্ত গতিয়ে দৰ্শকক সংশয় আৰু অনিশ্চয়তাত ডুবিবলৈ বাধ্য কৰে সেইদৰে লাৰউদৰ দৰে ফাষ্ট বোলাৰৰ গতিয়ে ক্ৰিকেট খেল একোখনক একো একোখন তীব্ৰ যুদ্ধৰ দৰে কৰি তুলিছিল।

এইটো সত্য যে ভয়াবহ ফাষ্ট বোলিংৰ বিপক্ষে কোনো ব্যাটচমেনে খেলিবলৈ সকাহ নেপায়। সেয়ে এই ভয়াবহ ফাষ্ট বোলিংক সকলো দেশৰ অধিনায়কে ভীতি প্ৰদৰ্শনৰ অস্ত্ৰ হিচাবে ব্যৱহাৰ কৰে। কথ মিলাৰ, ৰেলিওৱাল আদি ফাষ্ট বোলাৰ সকলক মহান ক্ৰিকেটাৰ চাৰ বেডমেনৰ দৰে। ক্ৰিকেটাৰেও ইংলেণ্ডৰ বিৰুদ্ধে অবিৰত ভাবে ব্যৱহাৰ কৰিছিল। অনুৰূপভাৱে ইংলেণ্ডৰ অধিনায়ক হাটনেও টাইচন, ষ্ট্যাথাম, ট্ৰুমেনক নিৰ্দেশ দিছিল। সেইদৰে ইয়ানচাপেল, ক্লাইভলয়ড আদি বিশ্ববিখ্যাত অধিনায়ক সকলেও তেওঁলোকৰ হিংস্ৰ ফাষ্ট বোলাৰ সকলক বিপক্ষ দলক ঘাইল কৰিবলৈ নিৰ্দেশ দিছিল। এক কথাত, ফাষ্ট বোলিং হ'ল ক্ৰিকেটৰ উত্তেজনাৰ অন্যতম খোৰাক। আৰু কেৱল সেইটো কাৰণতেই ক্ৰিকেটমোদী সকলৰ বাবে বহু কাললৈ দুখ থাকি যাব ক্ৰিকেটজগতৰ পৰা ক্ষোভ আৰু হতাশাত নীৰবে বিদায় লোৱা ট্ৰেজিক নায়ক হেৰল্ড লাৰউদৰ বাবে। * * *



# ছাত্ৰ-একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

যি-সকল ছাত্ৰ-ছাত্ৰীৰ মৰম আৰু বিশ্বাসৰ ফলশ্ৰুতিত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৮৬-৮৭ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰিবলৈ সুবিধা পালোঁ তেওঁলোকলৈ জয় জয়তে মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। লগতে এই মহান দায়িত্ব পালন কৰাত পোৱা অধ্যক্ষ মহোদয় আৰু অধ্যাপক বৃন্দৰ বহুমূলীয়া উপদেশৰ বাবে তেওঁলোকলৈ আৰু অন্যান্য ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকললৈ মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰি সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ পাতনি মেলিলো।

**মহাবিদ্যালয় সপ্তাহ:** এই বেলি মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ১৩।২।৮৭ ৰ পৰা ১৮।২।৮৭ ইং তাৰিখলৈ বিভিন্ন কাৰ্যক্ৰমনিকাৰে পালন কৰা হয়। ১৩ ফেব্ৰুৱাৰী ৰাতিপুৱা ৮-৩০ বজাত মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰি মহাবিদ্যালয় সপ্তাহৰ শুভ উদ্বোধন কৰে। মহাবিদ্যালয়ৰ খেল পথাৰত বছৰেকীয়া ক্ৰীড়া প্ৰতিযোগিতা, মহাবিদ্যালয় ভৱনত সাংস্কৃতিক প্ৰতিযোগিতা, আকস্মিক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা যথেষ্ট আছিল আৰু প্ৰতিযোগিতাৰ মানদণ্ডও উচ্চ খাপৰ হৈছিল। মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী সভাখন ১৮-২-৮৭ ইং তাৰিখে অনুষ্ঠিত হয়। সেই সভাত সভাপতিত্ব কৰিছিল মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে। মুখ্য অতিথি, বিশিষ্ট অতিথি আৰু নিৰ্দিষ্ট বক্তাৰ আসন গ্ৰহন কৰিছিল যথাক্ৰমে অসমৰ ৰাজ্যিক শিক্ষা মন্ত্ৰী মাননীয় শ্ৰীযতীন মালী দেৱে, ছয়গাওঁ সমষ্টিৰ বিধায়ক ডাঃ কমলা কলিতা দেৱে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক শ্ৰীহিতেশ ডেকা দেৱে। তেওঁলোকে আমাৰ মাজলৈ আহি বহুমূলীয়া ভাষণেৰে ছাত্ৰ-ছাত্ৰী সকলক উৎসাহ অনুপ্ৰেৰণা যোগোৱা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

উল্লেখযোগ্য যে সেই একে দিনাই অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জ্ঞাত আৰু অজ্ঞাত ভাৱে জীৱন আহুতি দিয়া বীৰ-বীৰাঙ্গনা সকলৰ পবিত্ৰ স্মৃতিত নিৰ্মান কৰা আমাৰ মহাবিদ্যালয় চৌহদৰ পবিত্ৰ শ্বহীদ বেদীটো শ্ৰীহিতেশ ডেকাদেৱে উন্মোচন কৰি আমাক কৃতাৰ্থ কৰে।

**সৰস্বতী পূজা:** পৰম্পৰাগত ভাবে পালন কৰি অহা সৰস্বতী পূজা অন্যান্য বছৰৰ দৰে এই বেলিও কিছু জাক-জমকতাৰে পালন কৰা হয়।

**নৱাগত আদৰণি সভা:** ১৯৮৭ চনৰ ২৩ চেপ্তেম্বৰ তাৰিখে নৱগত আদৰণি সভাখন মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱৰ সভাপতিত্বত পতা হয়।

নিমন্ত্ৰিত বিশিষ্ট অতিথি ছয়গাওঁ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীঅনিল বৰা দেৱে দিয়া সাবুৱা ভাষণ আমাৰ বাবে সদায় অনুপ্ৰেৰণাৰ উৎস হৈ ৰ'ব ।

**শিক্ষামূলক ভ্ৰমণ ঃ** পাঠ্য পুথিৰ অধ্যয়নৰ উপৰিও বিভিন্ন দেশ প্ৰদেশৰ কলা কৃষ্টি অধ্যয়নে ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিধি কি ধৰণে প্ৰসাৰিত কৰে কোৱা নিষ্প্ৰয়োজন । সেই উদ্দেশ্যকে সমুখত ৰাখি আমাৰ মহাবিদ্যালয়ৰ শিক্ষক ছাত্ৰ-ছাত্ৰীৰ এটি দলে যোৱা অক্টোবৰ মাহত কলিকতা, বোম্বে, এলাহবাদ আদি ভাৰতৰ বিভিন্ন ঠাইত ১২ দিনীয়া এটি শিক্ষামূলক ভ্ৰমণ কৰাৰ সুযোগ পোৱাত আমি সুখী হৈছোঁ আৰু ভৱিষ্যতেও তেনে ভ্ৰমণ কৰাৰ সুযোগ আমাৰ ছাত্ৰ-ছাত্ৰী সকলে পাব বুলি আশা ৰাখিছো ।


**অভাৱ অভিযোগ ঃ** ১৯৬৪ চনতে স্থাপিত হোৱা আমাৰ মহাবিদ্যালয় বয়সৰ ফালৰ পৰা যৌৱনপ্ৰাপ্ত হলেও নানান অভাৱ অভিযোগে যেন ইয়াক যৌৱনৰ স্বাভাৱিক বহনৰ পৰা এতিয়াও বঞ্চিত কৰি ৰাখিছে । অভাৱ অভিযোগ সমূহৰ ভিতৰত পোনতে অধিক বিষয়ত 'মেজৰ'ৰ ব্যৱস্থা নথকাৰ কথাটোকে উল্লেখ কৰিব লাগিব । প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পাৰি যে এতিয়ালৈ মাথো অসমীয়া আৰু অৰ্থনীতি বিষয়তহে মেজৰৰ ব্যৱস্থা আছে । তাৰোপৰি দূৰ দূৰণিৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে একোটাকৈ ছাত্ৰ আৰু ছাত্ৰী নিবাস, স্থায়ী মঞ্চেৰে এটি স্থায়ী প্ৰেক্ষাগৃহ, এটি চাইকেল ষ্টেণ্ড, ছাত্ৰ-ছাত্ৰীৰ বৃদ্ধি অনুসাৰে প্ৰশ্ৰাৱগাৰ আৰু শৌচাগাৰৰ বৃদ্ধি আৰু লগতে যিবোৰৰ উন্নতিকৰণ আদিয়ে বহুদিনৰ পৰা আমাৰ অভাৱৰ তালিকাত স্থান লৈ আছিছে । এইবোৰ অভাৱ অনতিপলমে দূৰ কৰিবলৈ আমি মহাবিদ্যালয়ৰ কতৃপক্ষক টানি অনুৰোধ জনালোঁ । লগতে সঙ্গীতৰ বাদ্য-যন্ত্ৰবোৰৰ ঘাটি থকা দুটা এপদ বাদ্য যন্ত্ৰ কিনিবলৈ, ছাত্ৰ জিৰণী কোঠা আৰু যি দুটা এটা পাঠদান কোঠাৰ চিলিং লগোৱা আৰু দুৱাৰ খিৰিকি মেৰামত কৰাৰ কাম বাকী আছে সেই খিনিও অনতিপলমে কৰাৰ ব্যৱস্থা কৰিবলৈ কতৃপক্ষক অনুৰোধ কৰিলোঁ ।

**ব্যক্তিগত দুআষাৰ ঃ** সাধাৰণ সম্পাদকৰ গুৰুদায়িত্ব বহন কৰাৰ সময় ছোৱাৰ মোৰ কৃতিত্ব বিচাৰৰ ভাৰ মোৰ মহোদয়, ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱী সকলৰ হাতত । এই সময় ছোৱাত মোক যি সকলে সৰ্বতোপ্ৰকাৰে সহায় সহযোগিতা আগবঢ়ালে সেই সকলৰ ভিতৰত সৰ্বশ্ৰী পল্লৱ মহন্ত, সুনীল ঠাকুৰীয়া, আমজেদ আলি, জ্যোতিষ দাস, আৰতি মহন্ত, নীলিমা তালুকদাৰ, অৰুনা বসাক, মিনা বৰ্মণ, সঙ্গীতা বাভা, নিৰা বায়ন, মিনু দাসক মই কেতিয়াও পাহৰিব নোৱাৰিম । তদুপৰি অধ্যক্ষ তথা সভাপতি শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ, উপ-সভাপতি অধ্যাপক শ্ৰীযুত শৰত চন্দ্ৰ তালুকদাৰ, ছাত্ৰ একতা সভাৰ সমূহ সদস্য, অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰী সকল আৰু লগতে অন্যান্য সমূহ অধ্যাপক, অধ্যাপিকা সকলৰ প্ৰতি মোৰ গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ ।

সদৌ শেষত আমাৰ মহাবিদ্যালয়, ছাত্ৰ একতা সভা আৰু জৱাহৰ জ্যোতি'ৰ দীৰ্ঘায়ু আৰু উত্তৰোত্তৰ উন্নতি কামনা কৰি আৰু মোৰ অনিচ্ছাকৃত সকলো ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ । জয় আই অসম ।

শ্ৰীঅমৰ দাস, সাধাৰণ সম্পাদক,
জৱাহৰলাল নেহৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

# জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সমিতি
## ১৯৮৬-৮৭ চন



থিয়হৈ ঃ ( বাওঁফালৰ পৰা ) সৰ্বশ্ৰী অনৱ দাস ( সাধাৰণ সম্পাদক ), কিশোৰ বসুমতাৰী ( সম্পাদক, খেল বিভাগ ), অজয় অধিকাৰী ( সম্পাদক, সাংস্কৃতিক বিভাগ ), প্ৰতিভা চৌধুৰী ( সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ), কল্পনা গোস্বামী ( সম্পাদিকা, তৰ্ক আৰু আলোচনা চক্ৰ ), গৌৰাঙ্গ চৌধুৰী ( সম্পাদক, 'জৱাহৰ জ্যোতি' ), চকিল আহমেদ ( সম্পাদক, ছাত্ৰ জিৰণি কোঠা ), দিলীপ কুমাৰ দাস (সম্পাদক, সমাজ সেৱা বিভাগ)

বহি ঃ ( বাওঁফালৰ পৰা ) সৰ্বশ্ৰী অধ্যাপক জয়শঙ্কৰ হাজৰিকা ( তত্বাৱধায়ক, তৰ্ক আৰু আলোচনা চক্ৰ ), অধ্যাপক দিলীপ দাস ( তত্বাৱধায়ক 'জৱাহৰ জ্যোতি' ), অধ্যাপক মজিবুৰ ৰহমান ( তত্বাৱধায়ক, ছাত্ৰ জিৰণি কোঠা ), অধ্যাপক দেবেন শৰ্মা (তত্বাৱধায়ক, সাংস্কৃতিক বিভাগ), অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ (সভাপতি ), অধ্যাপক শৰত চন্দ্ৰ তালুকদাৰ ( উপ-সভাপতি ), অধ্যাপক ধৰ্মকান্ত বৰুৱা (তত্বাৱধায়ক, সমাজ সেৱা বিভাগ), অধ্যাপিকা ৰমিতা ফুকন ( তত্বাৱধায়িকা, ছাত্ৰী জিৰণি কোঠা ), অধ্যাপক দ্বিজেন দাস ( তত্বাৱধায়ক, খেল বিভাগ ) ।



# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে ১৯৮৬-৮৭ চনৰ বাবে বকো জৱাহৰ-লাল নেহৰু মহাবিদ্যালয়ৰ খেল বিভাগৰ সম্পাদকৰ দায়িত্বৰ বাবে মনোনীত কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ।

খেল-ধেমালি যে শিক্ষাৰ এক অবিচ্ছেদ্য অঙ্গ কোৱা নিষ্প্ৰয়োজন। শাৰীৰিক আৰু মানসিক বিকাশ সাধন কৰাৰ উপৰিও খেলা-ধূলাই জাতি এটাৰ প্ৰাণ চঞ্চলতাৰ স্বাক্ষৰ বহন কৰে। বিশ্বৰ বহু দেশে সেয়ে পুথিগত শিক্ষাৰ অঙ্গাঙ্গীকৈ খেলা-ধূলাৰ ওপৰতো প্ৰভূত গুৰুত্ব আৰোপ কৰিছে। ফল স্বৰূপে, খেলা ধূলাৰ জৰিয়তে বহুদেশে আন্তৰ্জাতিক মঞ্চত স্বকীয় জাতীয় মৰ্যদা প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। দুৰ্ভাগ্যবশতঃ, ভাৰত এখন বিশাল দেশ হোৱা স্বত্বেও খেলা-ধূলাৰ মানদণ্ড আজিও শোচনীয়ভাৱে পিচ পৰি আছে। চৰকাৰে এই বিষয়ত সচেতন হৈ উপযুক্ত ব্যৱস্থা গ্ৰহন কৰা উচিত।

এইবেলি আমাৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয় ১৩।২।৮৭ ৰ পৰা ১৮।২।৮৭ ইং তাৰিখলৈ। সেই সময়ছোৱাৰ ভিতৰত প্ৰায় সকলোবিলাক খেল ধেমালিয়ে আমাৰ মহাবিদ্যালয়ৰ খেল-পথাৰত অনুষ্ঠিত কৰা হয়। যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে এই খেল ধেমালি সমূহত অংশ গ্ৰহন কৰি নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিলে আৰু লগতে দৰ্শক সকলৰ মনোৰঞ্জন কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰীলৈ মই এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিলো। এই খিনিতে উল্লেখ কৰা ভাল হব যে আমাৰ খেলুৱৈ ছাত্ৰ-ছাত্ৰী সকলক উৎসাহিত কৰিবলৈ দৰ্শক ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আশানুৰূপ নাছিল। আমি আশা ৰাখিছোঁ, খেলত অংশ গ্ৰহন নকৰা ছাত্ৰ-ছাত্ৰী সকলে উপস্থিত থাকি খেলুৱৈ ছাত্ৰ-ছাত্ৰী সকলক উৎসাহ প্ৰদান কৰিব। আৰু এটা কথা, অনুশীলনৰ অভাৱৰ কাৰণে খেলুৱৈ সকলৰ মানদণ্ড আশানুৰূপ নাছিল। আশাকৰোঁ আমাৰ খেলুৱৈ ছাত্ৰ-ছাত্ৰী সকলে পূৰ্ব প্ৰস্তুতি লৈ খেলত অংশ গ্ৰহণ কৰি নিজৰ আৰু লগতে মহাবিদ্যালয়ৰ মানদণ্ডও উন্নীত কৰিব।

এইবেলি টিহুত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ বাবে প্ৰচেষ্টা চলোৱা হৈছিল ; কিন্তু উপযুক্ত খেলুৱৈৰ অভাৱৰ বাবে কতৃপক্ষৰ অনুমোদন থকা স্বত্বেও অংশ গ্ৰহণ কৰা সম্ভৱ হৈ নুঠিল। ইয়াৰ বাবে মই দুঃখিত। আশাকৰো, ভৱিষ্যতে সুপ্ৰস্তুতি চলাই আমাৰ খেলুৱৈ সকলে এনে প্ৰতিযোগিতাত অংশ গ্ৰহন কৰি মহাবিদ্যালয়ৰ প্ৰতিষ্ঠিত সুনাম অক্ষুন্ন ৰাখিব।

সদৌ শেষত খেল-ধেমালি পৰিচালনা কৰাৰ ক্ষেত্ৰত পদে পদে দিহা পৰামৰ্শ দিয়া বাবে ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত দ্বিজেন দাস মহোদয়লৈ মোৰ অকৃত্ৰিম কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে যি সকল বন্ধু-বান্ধৱীয়ে খেল-ধেমালি সমূহ পৰিচালনা কৰাত দেহে-কেহে খাটি সহায় সহযোগিতা আগবঢ়াইছিল সেই সকলক মই কেতিয়াও পাহৰিব নোৱাৰো। সেই সকললৈ মই এই চেগতে মোৰ অন্তৰৰ সস্নেহ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শ্ৰীকিশোৰ কুমাৰ বসুমতাৰী
সম্পাদক, খেল-বিভাগ।



# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে মই জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে মোক এইবাৰৰ কাৰণে বিনা প্ৰতিদ্বন্দিতাৰে সাংস্কৃতিক বিভাগৰ সম্পাদক নিৰ্বাচিত কৰা বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই ক্ষেত্ৰত মোৰ কৃতকাৰ্যতা নিৰূপণ কৰাৰ ভাৰ তেওঁলোকৰ হাততে। অৱশ্যে মোৰ কাৰ্যসমূহ পৰিচালনা কৰাত জ্ঞাতভাৱে মই যত্নৰ কোনো ত্ৰুটি কৰা নাছিলোঁ। অজ্ঞানিত কিবা ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা চাইছোঁ।

এইবেলি মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতা সমূহত বহু সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি তেওঁলোকৰ বহুমূখী প্ৰতিভাৰ পৰিচয় দিয়ে। কিন্তু আগৰ দৰে একাঙ্কিকা নাট আৰু ভেশচন প্ৰতিযোগিতা প্ৰতিযোগীৰ অভাৱত পাতিব নোৱাৰাটো দুখৰ কথা। ভৱিষ্যতে এই প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হব বুলি আশা ৰাখিছোঁ।

এইবেলি কেবা বছৰৰ মূৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ সৌজন্যত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে যোগদান কৰিব পৰাটো আমাৰ বাবে সুখৰ কথা। আমাৰ প্ৰতিযোগী সকলে কোনো বঁটা লাভ কৰিব নোৱাৰিলেও দৰ্শকৰ পৰা পোৱা অকুণ্ঠ সমাদৰে আমাৰ বাবে ভৱিষ্যতৰ মূলধন হব।

সাংস্কৃতিক বিভাগটোত আমাৰ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱী সকলে যিবোৰ অভাৱ পাইছে সেই সকলোবোৰৰ কথা মহাবিদ্যালয় কৰ্তৃপক্ষক জনোৱা হৈছে। আমি আশা ৰাখিছো, মহাবিদ্যালয় কৰ্তৃপক্ষই সেইবোৰ অনতিপলমে দূৰ কৰিব। মোৰ কাৰ্যকাল ছোৱাত সকলো সময়তে দিহা পৰামৰ্শ তথা সহায় সহযোগিতা আগবঢ়োৱা কাৰণে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱ, ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত দেবেন্দ্ৰ নাথ শৰ্মা দেৱ, গ্ৰন্থগাৰিক শ্ৰীভাৰত চৌধুৰী আৰু মোৰ বন্ধু জ্যোতি কুমাৰ আৰু তীৰ্থ বড়োক আৰু লগতে সমূহ ছাত্ৰ-ছাত্ৰীকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সৰ্বশেষত মোৰ অজানিত ভুল ত্ৰুটিৰ বাবে পুনৰ ক্ষমা বিচাৰি মহাবিদ্যালয় আৰু ইয়াৰ সাংস্কৃতিক বিভাগৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয় আই অসম। জয়তু জৱাহৰজ্যোতি।

শ্ৰীঅজয় অধিকাৰী
সাংস্কৃতিক বিভাগৰ সম্পাদক,
জৱাহৰলাল নেহৰু মহাবিদ্যালয়
ছাত্ৰ একতা সভা।



# তৰ্ক আৰু আলোচনা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ অ.ৰন্তণিতে যিসকল বন্ধু-বান্ধৱীৰ উৎসাহ উদ্দীপনাত তৰ্ক আবু আলোচনা বিভাগৰ সম্পাদিকা পদত নিযুক্ত হ'লো তেওঁলোকলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

তৰ্ক আবু আলোচনা বিভাগৰ সম্পাদিকা হিচাবে কাৰ্য্যভাৰ গ্ৰহন কৰাৰ কিছুদিন পাচতেই আমাৰ মহাবিদ্যালয়ত " মহাবিদ্যালয় সপ্তাহ " পালন কৰা হয় । অইন বছৰৰ দৰে এই বাৰো মহাবিদ্যালয় সপ্তাহত বিভিন্ন কাৰ্য্যসূচীৰ লগতে তৰ্ক আকস্মিক বক্তৃতা, কুইজ, আবৃত্তি ( ইংৰাজী-অসমীয়া ) প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল । কিন্তু অতি দুখৰ কথা যে উক্ত প্ৰতিযোগিতা সমূহত প্ৰতিযোগীৰ সংখ্যা নিচেই কম আছিল । তদুপৰি প্ৰতিযোগীৰ অভাৱত এইবাৰ তৰ্ক প্ৰতিযোগিতা পাতিব পৰা নগ'ল । প্ৰতিযোগীৰ বাহিৰেও আন-আন ছত্ৰ ছাত্ৰীৰ উপস্থিতি নিচেই কম দেখিবলৈ পোৱা গৈছিল । সেয়েহে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ অনুৰোধ তেওঁলোকে যেন ভৱিষ্যতে মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানত অংশ গ্ৰহন কৰি এনে অনুষ্ঠানৰ শোভা বৰ্দ্ধন কৰে ।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতা সমূহ পৰিচালনা কৰাত যি কেইগৰাকী অধ্যাপক-অধ্যাপিকাই মোক সহায় আগবঢ়ালে তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা থাকিল । তৰ্ক আবু আলোচনা বিভাগৰ তত্বাৱধায়ক অধ্যাপক জয় শংকৰ হাজৰিকা চাৰে বিভিন্ন ক্ষেত্ৰত নানা দিহা-পৰামৰ্শ দি সুচাৰুৰূপে কাম চলাই নিয়াত মোক যি সহায় আগবঢ়ালে তাৰ বাবে তেওঁৰ ওচৰত মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ ।

যি কেইগৰাকী বন্ধু-বান্ধৱীয়ে মোৰ কাৰ্য্যকাল ছোৱাত নানা ধৰণে সহায় আগবঢ়ালে তেওঁলোকলৈ মই মোৰ অকৃত্ৰিম প্ৰীতি তথা শুভেচ্ছা জনাইছো । মই মোৰ জ্ঞাতেই বা অজ্ঞাতেই হোৱা ভুল ত্ৰুটীৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী আবু শিক্ষাগুৰুৰ ওচৰত ক্ষমা বিচাৰিছোঁ ।

সদৌ শেষত ৰকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰাৰ লগতে এই মহাবিদ্যালয়ৰৰ আলোচনী " জৱাহৰ জ্যোতি"ৰ দীৰ্ঘায়ু কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো ।

**ধন্যবাদেৰে -**

কল্পনা গোস্বামী

সম্পাদিকা, তৰ্ক আবু আলোচনা বিভাগ ।



# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত যি সকল বীৰ-বীৰাঙ্গনাই তপ্ত তেজেৰে লুইতৰ পানী ৰাঙলী কৰি গ'ল সেই সকল শ্বহীদলৈ শ্ৰদ্ধাৰে সুঁৱৰিছো "হে শ্বহীদ ! তুমি অমৰ হোৱা ।"

১৯৮৭ চনৰ ফেব্ৰুৱাৰী মাহত মই অধ্যক্ষ মহোদায়ৰ পৰা ছাত্ৰ জিৰনি কোঠাৰ সম্পাদকৰ দায়িত্ব গ্ৰহন কৰো । যি সকল ছাত্ৰ-ছাত্ৰীয়ে তথা বন্ধু-বান্ধৱীয়ে মৰম আৰু সহানুভুতিৰে মোক এই বিভাগৰ দায়িত্ব ভাৰ অৰ্পন কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো ।

কাৰ্যভাৰ গ্ৰহন কৰা কিছুদিন পাছতেই "মহা-বিদ্যালয় সপ্তাহ" আৰম্ভ হয় । মহাবিদ্যালয় সপ্তাহত বিভিন্ন খেল সমূহৰ লগতে Indoor Games ৰ খেল সমূহো লেখত লবলগীয়া । আমাৰ মহাবিদ্যালয়ত কেৱল মাত্ৰ কেৰম, আৰু বেড্মিণ্টনৰ খেল সমূহ চলিছিল । এই সীমিত পৰিমাণৰ Indoor Games ত মহাবিদ্যালয়ৰ প্ৰায় ভাগ লৰা ছোৱালীয়ে যোগদান কৰি খেল দুটা উজ্বল মুখৰ কৰি তুলিছিল । যি সকল ছাত্ৰ-ছাত্ৰীয়ে এই খেল সমূহত যোগদান কৰি তেওঁলোকৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিলে, তেওঁলোকৰ মই উজ্বল ভৱিষ্যৎ কামনা কৰিলো । এইখিনিতে মহাবিদ্যালয় কতৃপক্ষলৈ অনুৰোধ থাকিল যাতে Indoor Games ৰ যাৱতীয় সকলোবোৰ সামগ্ৰী বিশেষকৈ টেবুল টেনিছৰ এখন বোৰ্ড যোগান ধৰি ছাত্ৰ-ছাত্ৰীৰ স্বকীয় তথা সামূহিক প্ৰতিভাৰ বিকাশ সাধনত ইন্ধন যোগায় । ছাত্ৰ জিৰণি কোঠাৰ তত্বাৱধায়ক অধ্যাপক মাননীয় মঃ মজিবৰ ৰহমান চাৰৰ দিহা পৰামৰ্শৰ বাবে মোৰ খেলবোৰ পৰিচালনা কৰাত উজ্জ্ব হৈ পৰিছিল । সেইবাবে তেখেতৰ ওচৰত মই কৃতজ্ঞ ।

মোৰ বিভিন্ন কাৰ্য পৰিচালনা কৰাত সহায় সহযোগ কৰা সুনীল, পল্লৱ, দেবেন আৰু আমজাদ, কমললৈ মোৰ ধন্যবাদ থাকিল । ইয়াৰোপৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ ধন্যবাদ থাকিল ।

এই এবছৰীয়া কাৰ্যকালত মই কিমানখিনি কৃতকাৰ্য হৈছো সেয়া আপোনালোকৰ বিচাৰ্য ।

সদৌ শেষত মই মোৰ ভুল ভ্ৰান্তিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলো আৰু মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি প্ৰতিবেদন ইমানতে সামৰিলো ।

**জয় আই অসম**

"জয়তু জৱাহৰ জ্যোতি"

মঃ মকিল আহমেদ

সম্পাদক, ছাত্ৰ জিৰণি কোঠা ।



# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মোক জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে বিনাপ্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰাৰ বাবে ছাত্ৰ-ছাত্ৰী-সকলৈ মই আন্তৰিক ধন্যবাদ 'জৱাহৰ জ্যোতি'ৰ জৰিয়তে জ্ঞাপন কৰিলোঁ। এই কাৰ্য্যকালছোৱাত মই মোৰ কৰ্ত্তব্য পালনত কিমান দূৰ অগ্ৰসৰ হব পাৰিছো সেইয়া বিচাৰ কৰাৰ ভাৰ ছাত্ৰ-ছাত্ৰী তথা ভাৰপ্ৰাপ্ত অধ্যাপিকাৰ হাততেই এৰি দিছো ।

এই বছৰ আমাৰ মহাবিদ্যালয়ত উলহ-মালহেৰে 'মহাবিদ্যালয় সপ্তাহ' পালন কৰা হয়। এই সপ্তাহ উপলক্ষে অনুষ্ঠিত কৰা পুষ্প-সজ্জা আৰু চিলাই প্ৰতি-যোগিতাত ছাত্ৰীসকলৰ সক্ৰিয় যোগদানে এই প্ৰতিযোগিতা অতি সুন্দৰ কৰি তোলে। ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীসকলৰ এনে ধৰণৰ উৎসাহ কামনা কৰা হ'ল ।

মোৰ কাৰ্য্য-কালছোৱাত ছাত্ৰীসকলৰ বিশেষ কিছুমান অভাৱ পূৰণ কৰিব নোৱাৰি মই দুঃখিত । ইয়াৰ উপৰিও এটা কথা স্বীকাৰ কৰিব লাগিব যে ছাত্ৰীৰ সংখ্যা বৃদ্ধিৰ লগে লগে আমাৰ জিৰণি কোঠাটো কিছু সৰু হৈছে। মই আশা কৰিছোঁ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই ইয়াৰ এটা ব্যৱস্থা অতি সোনকালে হাতত লব।


মোৰ কাৰ্য্যকালছোৱাত ভিন্ন দিশত দিহা পৰামৰ্শ দি সহায় কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱলৈ, ভাৰপ্ৰাপ্ত অধ্যাপিকা বুমিতা বাইদেউলৈ আৰু আমাৰ বিভিন্ন বিভাগৰ অধ্যাপক অধ্যাপিকালৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালো । ইয়াৰ উপৰিও বিভিন্ন কামত সহায় সহযোগ আগবঢ়োৱা বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত মই চিৰ কৃতজ্ঞ ।

অতি কম সময়ৰ ভিতৰত সকলোবোৰ কাম কৰিবলগীয়া হোৱা বাবে মোৰ কৰ্তব্য পালনত বহুতো ভুল ভ্ৰান্তি থাকিব পাৰে। তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই ক্ষমা বিছাৰিছোঁ । শেষত আমাৰ মহা-বিদ্যালয় ছাত্ৰ একতা সভাৰ দীৰ্ঘ জীৱন কামনা কৰি মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীলৈ শ্ৰদ্ধা, শুভেচ্ছা আৰু ধন্যবাদ জনাই মোৰ প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিছোঁ ।

" জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয় "

মিচ্ প্ৰতিভা চৌধুৰী

সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ( ১৯৮৭-৮৮ )



# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

বৰ্তমান যুগ কৰ্মৰ যুগ । কৰ্মৰ দ্বাৰাই নিজক, সমাজ তথা দেশৰ জনগণক উৎসাহিত কৰি তুলিব পাৰি । উপদেশ দিয়াতকৈ হাতে কামে সক্ৰিয় ভাৱে লাগিলে সমস্যা সমাধান নোহোৱাকৈ নথাকে । পাঠ্য-পুথিৰ সীমিত জ্ঞানে আমাক জীয়াই ৰাখিব নোৱাৰে । তাৰ বাবে আমাক লাগিব বহুমুখী কাৰিকৰী শিক্ষাৰ জ্ঞান ।

সমাজ সেৱা শিক্ষাৰ এটি অপৰিহাৰ্য অংগ । আমাৰ দেশখন স্বাধীনতাৰ দুকুৰি বছৰ পাছতো বহু ক্ষেত্ৰত পিছপৰি আছে । বিশেষকৈ অনুন্নত আৰু গ্ৰাম্যাঞ্চলৰ উন্নতি সাধনৰ বাবে ভাৰত চৰকাৰে "জাতীয় সেৱা আঁচনি" ( National Service Scneme ) অনুসৰি ভিন ভিন শিক্ষানুষ্ঠান সমূহৰ ছাত্ৰ-ছাত্ৰীসকলে অনুন্নত ঠাই আৰু ভিতৰুৱা গাওঁবোৰলৈ গৈ নিৰক্ষৰ লোকসকলক বিভিন্ন বিভাগত শিক্ষাদান কৰাৰ উপৰিও আদৰ্শ জীৱন-যাপনৰ আঁহি দেখুৱাই হাতে-কামে সহায় সহযোগৰ সেৱা আগবঢ়ায় ।

এইবেলি উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত গুৱাহাটী বিশ্ববিদ্যালয়ে আয়োজন কৰা 'জাতীয় সেৱা আঁচনি' ( N. S. S. )ৰ শিবিৰ ২৩ জুলাইৰ পৰা ২৯ জুলাইলৈ অনুষ্ঠিত হয় । এই শিবিৰত অসমৰ বহুতো মহাবিদ্যালয়ৰ লগতে আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত দ্বীজেন দাস দেৱৰ তত্বাৱধানত চাৰিজনীয়া প্ৰতিনিধি দল এটাই যোগদান কৰে ।

আমাৰ মহাবিদ্যালয়তো ১৬ জানুৱাৰী, ২৪ জানুৱাৰী আৰু ৩ চেপ্তেম্বৰ '৮৭ তাৰিখে খেল পথাৰখন আৰু মহাবিদ্যালৰ সন্মুখৰ ঠাইবোৰ পৰিষ্কাৰ কৰা হয় ।

মোৰ এই তাকৰীয়া কাৰ্যকালছোৱাত সকলো ফালৰ পৰা সহায় সহযোগিতা আগবঢ়োৱা বাবে সমাজ সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত ধৰ্মকান্ত বৰুৱা, আন আন অধ্যাপক অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছো । এই গধুৰ দায়িত্বত অজানিতে হোৱা ভুল-ত্ৰুটিৰ মাৰ্জনা বিচাৰি আৰু মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্বল কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো ।

জয়তু জৱাহৰ জ্যোতি

শ্ৰীদিলীপ কুমাৰ দাস

সম্পাদক, সমাজ সেৱা বিভাগ

১৯৮৬-৮৭ ইং চন ।